গুৱাহাটী আৰু যোৰহাটৰ পৰা প্ৰকাশিত

আমাৰ অসম

গুৱাহাটী ◻ সোমবাৰ ◻ ১৮ জেঠ ১৯৪২ শক ◻ ১ জুন ২০২০ ◻ চতুৰ্বিংশ বছৰ ◻ সংখ্যা ৪২

# ছিপাঝাৰ মহাবিদ্যালয়ত অনলাইন আলোচনা-চক্ৰ

## ২২০গৰাকী শিক্ষাবিদৰ অংশগ্ৰহণ

**ছিপাঝাৰৰ প্ৰতিবেদক, ৩১ মে' ঃ** ছিপাঝাৰৰ আগশাৰীৰ উচ্চ শিক্ষানুষ্ঠান ছিপাঝাৰ মহাবিদ্যালয়ৰ উদ্যোগত আৰু অসম কলেজ গ্ৰন্থাগাৰিক সন্থাৰ সহযোগত ৩০ মে'ত ছিপাঝাৰ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত ৰাষ্ট্ৰীয় পৰ্যায়ৰ এখন অনলাইন আলোচনা-চক্ৰ অনুষ্ঠিত হয়। উক্ত আলোচনা-চক্ৰখনৰ আঁত ধৰে মহাবিদ্যালয়খনৰ গ্ৰন্থাগাৰিক ড° নিৰ্মালী চক্ৰৱৰ্তীয়ে। আনহাতে, 'ইলেক্ট্ৰনিক সমল ব্যৱহাৰ' বিষয়ক ৰাষ্ট্ৰীয় পৰ্যায়ৰ বিশেষ আলোচনা-চক্ৰখন উদ্বোধন কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° প্ৰদীপ চন্দ্ৰ ডেকাই। উদ্বোধনী ভাষণত অধ্যক্ষগৰাকীয়ে বৰ্তমান সময়ত অনলাইন শিক্ষাৰ অতি প্ৰয়োজন হৈ পৰিছে বুলি উল্লেখ কৰাৰ লগতে তথ্য-প্ৰযুক্তিয়ে আগবঢ়োৱা সুবিধাসমূহ সকলোৱে গ্ৰহণ কৰা উচিত বুলিও তেওঁ মন্তব্য আগবঢ়ায়। আলোচনা-চক্ৰখনত সমল ব্যক্তিৰূপে উপস্থিত থাকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ তথ্য আৰু গ্ৰন্থাগাৰ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক প্ৰফেচৰ সঞ্জয় কুমাৰ সিং, অসম কলেজ গ্ৰন্থাগাৰিক সন্থাৰ সাধাৰণ সম্পাদক তথা কে চি দাস বাণিজ্য মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক ড° প্ৰশান্ত কুমাৰ ডেকা আৰু অসম কলেজ গ্ৰন্থাগাৰিক সন্থাৰ আই চি টি কোষৰ সমন্বয়ক তথা কলিয়াবৰ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক ড° বীৰেন্দ্ৰৰ পাল। আনহাতে, বৰ্তমান সময়ত কিদৰে 'ই-ৰিৰ্চোছ' উপলব্ধ হয় আৰু ইয়াৰ ব্যৱহাৰে শিক্ষক-বিদ্যাৰ্থী তথা জনসাধাৰণক কিদৰে উপকৃত কৰিব পাৰে সেই সন্দৰ্ভত আলোচনা-চক্ৰখনত বিশদভাৱে আলোকপাত কৰা হয়। উল্লেখ্য, জুম এপৰ জৰিয়তে অনুষ্ঠিত আলোচনা-চক্ৰখনত দেশৰ ভিন্ন প্ৰান্তৰ মুঠ ২২০গৰাকী শিক্ষাবিদে অংশগ্ৰহণ কৰে।